**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-04-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***
**::::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। কাইলৈ লোকসভাৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ। ৰাজ্যৰ ৫ টা সমষ্টিত ৬১ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দিতা।

২। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি সম্পূৰ্ণ। জিলাই জিলাই ১৪৪ ধাৰা জাৰি।

৩। তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে তৎপৰতা অব্যাহত। ভোটগ্ৰহণ অনুষ্ঠিত হ'বলগীয়া সমষ্টিকেইটাত শাসক-বিৰোধীৰ জোৰদাৰ প্ৰচাৰ অভিযান।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু-ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি।

০০০০০০০

ৰাজ্যখনত দ্বিতীয় পৰ্যায়ত কাইলৈ ৫ টা সমষ্টিৰ বাবে হবলগীয়া নিৰ্বাচনত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। এই পৰ্যায়ত ৭৭ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৯ হাজাৰ ১৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব।

উল্লেখযোগ্য যে সংশোধিত চূড়ান্ত ভোটদাতাৰ তালিকা অনুসৰি অসমত প্ৰায় ২ কোটি ৪৩ লাখ ভোটদাতাই এইবাৰ ভোটদানৰ সুবিধা পাব। ইয়াৰ ভিতৰত ১ কোটি ২১ লাখ ৭৯ হাজাৰৰো অধিক পুৰুষ আৰু প্ৰায় ১ কোটি ২১ লাখ মহিলা ভোটদাতা। প্ৰথমবাৰৰ বাবে ভোটদাতাৰ তালিকাত অন্তৰ্ভুক্ত ৭ লাখ ২৬ হাজাৰ ৭৮৩ গৰাকী ভোটদাতা আছে। আনহাতে, ৰাজ্যখনত ৮০ বছৰ বয়সৰ ঊৰ্ধৰ ভোটদাতাৰ সংখ্যা ২ লাখ ৭২ হাজাৰৰো অধিক। ৰাজ্যখনৰ অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সংসদীয় সমষ্টিত সৰ্বনিম্ন ৮ লাখ ৯২ হাজাৰ ৭৮৯ জন আৰু ধুবুৰী সমষ্টিত সৰ্বাধিক ২৬ লাখ ৪৩ হাজাৰৰো অধিক ভোটদাতা আছে। ইপিনে, ৰাজ্যখনত তিনিটা পৰ্যায়ত মুঠ ২৬৬ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থকাৰ লগতে দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালিত ৩৬ টা আৰু মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্য এহেজাৰ ৫৫১।

উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত এইবাৰ প্ৰথমবাৰলৈ অসমত নিৰ্বাচন অনুষ্ঠিত হৈছে।

০০০০০০০

ৰাজ্যত লোকসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কালি বিয়লি ৫ বজাত সামৰণি পৰে। অন্তিম দিনা বিভিন্ন ৰাজনৈতিক দলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ চলায়। এই পৰ্যায়ত ৰাজ্যৰ ৫ টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁত মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি দৰং ওদালগুৰি লোকসভা

সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী দিলীপ শইকীয়াৰ হৈ সমষ্টিটোৰ মাজবাট, কমলপুৰৰ লগতে জালুকবাৰীতো নিৰ্বাচনী প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে মাজবাটৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প খেলপথাৰত আয়োজিত সমাবেশত দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বড়োলেণ্ডলৈ শান্তিৰ পৰিবেশ ঘুৰি অহা বুলি মন্তব্য কৰে। আনহাতে, অহা জুলাই মাহত ৰাজ্যখনত আৰু ৫০ হাজাৰটা চৰকাৰী চাকৰিত নিযুক্তি দিয়া হ'ব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। ডং শৰ্মাই লাহৰিঘাটত নগাওঁ সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে নিজ ভাষণত কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। ইপিনে, কংগ্ৰেছ দলে কালি নগাঁৱত দলৰ প্ৰাৰ্থী প্ৰদ্যুত বৰদলৈৰ সমৰ্থনত এটা ৰোড শ্ব' অনুষ্ঠিত কৰে। নগাঁওৰ ৰাজীৱ ভৱনৰ পৰা উলিওৱা এই ৰোড শ্ব'ত দলৰ জ্যেষ্ঠ নেতা ৰকিবুল হুছেইন, সাংসদ গৌৰৱ গগৈ, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ আৰু বিধায়ক ৰেকিবুদ্দিন আহমেদৰ লগতে ভালেসংখ্যক নেতা কৰ্মী উপস্থিত থাকে। জিলাখনৰ ধিং ধোপৰগুৰিত কালি আন এখন প্ৰচাৰ সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু বটদ্ৰৱাৰ বিধায়িকা শিৱামণি বৰাই ভাষণ দিয়ে।

ইফালে কৰিমগঞ্জত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী কৃপানাথ মাল্লাৰ হৈ প্ৰচাৰ চলায়। নিজৰ ভাষণত তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাসনকালত ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আৰম্ভ কৰি ৰেলপথলৈকে সকলো দিশতে উন্নয়ন সম্ভৱ হৈ উঠিছে।

ইপিনে, নগাওঁ সংসদীয় সমষ্টিৰ অন্তৰ্গত ধিঙত কালি বিজেপিৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত মন্ত্ৰী পীযুষ হাজৰিকাই সমষ্টিটোৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ প্ৰচাৰ চলায়। এই সভাত কেইবাগৰাকীও কংগ্ৰেছ দলৰ সদস্যই বিজেপিত যোগ দিয়ে। এ আই ইউ ডি এফৰ মুৰব্বী বদৰুদ্দিন আজমল আৰু বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়েও আজি বিভিন্ন স্থানত প্ৰচাৰ চলায়। বি পি এফৰ মুৰব্বীগৰাকীয়ে আজি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ দলটোৰ প্ৰাৰ্থী দুৰ্গাদাস বড়োৰ হৈ তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ সুৰাগপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়।

ইপিনে, তৃতীয় পৰ্যায়ত নিৰ্বাচন হবলগীয়া ৪ টা সমষ্টিৰ অন্তৰ্গত বিভিন্ন স্থানত প্ৰচাৰ অভিযান অব্যাহত আছে। কালি ধুবুৰী লোকসভা সমষ্টিৰ অধীনত মানকাছৰৰ হাটশিঙিমাৰীত অসম গণ পৰিষদ দলৰ এটা নিৰ্বাচনী কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।

গুৱাহাটী সমষ্টিৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধীৰ সমৰ্থনত মন্ত্ৰী অশোক সিংহালে কালি বিয়লি এটা ৰোড শ্ব'ত অংশ লয়। আনহাতে প্ৰাৰ্থীগৰাকীয়ে লোকসভা সমষ্টিটোৰ অন্তৰ্গত নিউ গুৱাহাটী বিধানসভা সমষ্টিৰ নুনমাটিত অসম গণ পৰিষদ দলৰ নিৰ্বাচনী কাৰ্যালয় মুকলি অনুষ্ঠানত অংশ লোৱাৰ উপৰি চুনচালি আৰু নুনমাটিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। ইপিনে, গুৱাহাটীৰ চন্দ্ৰপুৰ বেংক তিনিআলিত গুৱাহাটী লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীৰ এখন প্ৰচাৰ সভা অনুষ্ঠিত হ'ব। সভাখনত অসম জাতীয় পৰিষদৰ সভাপতি তথা বিৰোধী ঐক্য মঞ্চৰ নেতা লুৰীনজ্যোতি গগৈয়ে প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলাব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ বাবে ভোটাৰৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ কালি বিজনী মহকুমাধিপতি কাৰ্যালয়ত এটা ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষৰ উদ্যোগত আৰু বঙাইগাঁও নামনি অসম চিকিৎসালয় গৱেষণা প্ৰতিষ্ঠানৰ সহযোগত আয়োজিত এই ৰক্ত শিবিৰত কেন্দ্ৰীয় অৰ্দ্ধসামৰিক বাহিনীৰ ২০গৰাকী জোৱানে ৰক্তদান কৰে। আনহাতে, দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰস্তুতি সন্দৰ্ভত কালি ৰঙিয়াৰ মহকুমাধিপতি কাৰ্যালয়ত জিলা নিৰ্বাচনী বিষয়া দেৱাশীষ

গোস্বামীয়ে এখন সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলখনত বিষয়াগৰাকীয়ে ভোটাৰৰ সুবিধা হোৱাকৈ ট'ল ফ্ৰী নম্বৰ ১৯৫০ আৰু মোবাইল নম্বৰ ৮৮৭৬০-৮০৪১৯ মুকলি কৰে। নিৰ্বাচনী বিষয়াগৰাকীয়ে ভোটগ্ৰহণৰ সময়ত জনসাধাৰণে সন্মুখীন হব পৰা যিকোনো সমস্যাৰ ক্ষেত্ৰত এই ফোন নম্বৰ দুটা ২৪ ঘণ্টাই সক্ৰিয় হৈ থাকিব বুলি সদৰি কৰে। সমষ্টিটোৰ স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত আইন-শৃংখলা নিশ্চিত কৰিবলৈ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী মোতায়েন কৰাৰ লগতে ৰেব কাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ সদৰি কৰে।

ইপিনে, কাইলৈ হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাৰ্বি আংলঙৰ দূৰণিবটীয়া ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ ইতিমধ্যে প্ৰিজাইডিং আৰু পোলিং বিষয়াকে ধৰি অন্যান্য বিষয়াসকল ৰাওনা হৈছে। কাৰ্বি আংলং নিৰ্বাচনী জিলাত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা হৈছে ৪৪৮টা। একেদৰে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ অন্তৰ্গত দৰং নিৰ্বাচনী জিলাৰ ৪৩টা দুৰ্গম ভোটগ্ৰহণ কেন্দ্ৰলৈ ইতিমধ্যে নিৰ্বাচনী বিষয়াসকল ৰাওনা হৈছে।

ইপিনে, অহা ৭ মে'ত হবলগীয়া তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনে পূৰ্ণ গতিত প্ৰস্তুতি অব্যাহত আছে। সেই অনুসৰি প্ৰথমবাৰৰ বাবে নিৰ্বাচন প্ৰক্ৰিয়াত অংশ ল'বলগীয়া প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলক দুদিনীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰা হয়। বিষয়াসকলক ইলেকট্ৰনিক ভোটিং মেচিন পৰিচালনা, ভোটগ্ৰহণ প্ৰক্ৰিয়া, নিৰাপত্তা আদি সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। ইফালে, নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত মৰিগাঁও জিলাৰ জাগীৰোড, মৰিগাঁও আৰু লাহৰিঘাট বিধানসভা সমষ্টিৰ মুঠ ৯১১ টা ভোট কেন্দ্ৰলৈ আজি পাঁচ হাজাৰ  ৪৬৬ গৰাকী ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰী ৰাওনা হৈছে।

০০০০০০০

অহা ৭ মে'ত তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। এই পৰ্যায়ত দুহেজাৰ ৯৬৩ গৰাকী প্ৰাৰ্থীয়ে ৯৫টা সংসদীয় সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰিছিল। ইপিনে, অসমত এই পৰ্যায়ত ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি তৃতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া বৰপেটা আৰু বজালিত উপস্থিত নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে বৰপেটা জিলা আয়ুক্ত আয়ুষ গাৰ্গ, নিৰ্বাচনী বিষয়া ময়ুৰাক্ষী দত্তৰ সৈতে নিৰাপত্তাৰ লগতে অন্যান্য বিষয় সন্দৰ্ভত আলোচনাত মিলিত হয়। ইয়াৰ পাছতে গোৱেলে বৰপেটা নিৰ্বাচনী জিলাৰ বাবে মাধৱ চৌধুৰী মহাবিদ্যালয়ত স্থাপন কৰিবলগীয়া ষ্ট্ৰং ৰূম পৰিদৰ্শন কৰে। আনহাতে, বৰপেটা লোকসভা সমষ্টিৰ অন্তৰ্গত বজালি নিৰ্বাচনী জিলাত উপস্থিত হৈ গোৱেলে প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে ভট্টদেৱ বিশ্ববিদ্যালয়ত স্থাপন কৰিবলগীয়া ষ্ট্ৰং ৰূম পৰিদৰ্শন কৰে।

০০০০০০০

অহা ৫ মে'ৰ ভিতৰত ২০২৪ বৰ্ষৰ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব । শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কথা প্ৰকাশ কৰিছে।

এইবাৰ ৰাজ্যৰ ৮৭৬টা কেন্দ্ৰত অনুষ্ঠিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাত মুঠ ২ লাখ ৮০ হাজাৰ ২১৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে ১ লাখ ৩৭ হাজাৰ ৪৮৪ জন ছাত্ৰ আৰু ১ লাখ ৪২ হাজাৰ ৭৩২ গৰাকী ছাত্ৰী। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ এটা সূত্ৰই প্ৰকাশ কৰা মতে, এই বেলি ফলাফলৰ ক্ষেত্ৰত ষ্টেণ্ড বা স্থান লাভৰ ব্যৱস্থা উঠাই দিয়া নিদিয়া সম্পৰ্কত এতিয়ালৈ কোনো সিদ্ধান্ত লোৱা

নাই। শিক্ষা সংসদে আলোচনাৰ ভিত্তিত দুই এদিনৰ ভিতৰতে এই সম্পৰ্কত সিদ্ধান্ত ল'ব বুলি জানিব পৰা গৈছে।

আনহাতে ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠানত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে শিক্ষা সংসদে দৰ্পণ শীৰ্ষক এটা নামভৰ্তি প'ৰ্টেল মুকলি কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে www.darpan. ahseconline.in বা www.ahsec.govt.in ত অনলাইনৰ জৰিয়তে আৱেদন দাখিল কৰিব পাৰিব। অহা ২ মে' পৰ্যন্ত আৱেদন দাখিলৰ সময়সীমা ধাৰ্য কৰা হৈছে। অনলাইন আৱেদনৰ দাখিলৰ পিছত ৩ মে'ৰ পৰা ৪ মে'ৰ ভিতৰত শিক্ষানুষ্ঠানসমূহৰ দ্বাৰা যোগ্যতা তালিকা, অপেক্ষাৰত তালিকা প্ৰস্তুত কৰা হ'ব। ৬ৰ পৰা ৮ মে'ৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তিৰ বাবে শিক্ষানুষ্ঠানৰ নাম নিশ্চিত কৰিব লাগিব। ৯ আৰু ১০ মে'ত অনলাইন পদ্ধতিৰে নামভৰ্তি সম্পন্ন হ'ব।

0000000

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই অহা ২৭ এপ্ৰিলত অসমলৈ আহিব। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কালি এই কথা সদৰি কৰে। ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে বৰপেটাৰ কংগ্ৰেছ প্ৰাৰ্থী দীপ বায়নৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে গুৱাহাটীত এখন সংবাদ মেলত অংশগ্ৰহণ কৰিব।

0000000

লোকসভা দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিবলৈ কৰিমগঞ্জ জিলা ফৌজদাৰী আইনৰ ১৪৪ নম্বৰ ধাৰাত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। জিলা আয়ুক্তই জাৰি কৰা নিৰ্দেশনাত কোৱা হৈছে যে, ভোটাৰ তালিকাত নাম নথকা কোনো ব্যক্তি, গোট, সংগঠন বা ক্লাবে ভোটগ্ৰহণৰ দিনটোত খোজকাঢ়ি বা কোনো বাহনেৰে ভোটকেন্দ্ৰত ঘূৰি ফুৰিব নোৱাৰিব। অকৰ্তৃত্বশীল লাউডস্পীকাৰ ব্যৱহাৰত নিষেধাজ্ঞা জাৰি কৰাৰ লগতে জিলাখনত সুৰাও নিষিদ্ধ ঘোষণা কৰা হৈছে। নিষেধাজ্ঞাসমূহ কাইলৈ নিশা ৮ বজালৈ বাহাল থাকিব।

0000000

আজি বিশ্ব মেলেৰিয়া দিৱস। বিশ্বব্যাপি মেলেৰিয়াৰ বিৰুদ্ধে চলাই থকা যুঁজখনত অধিক সক্ৰিয়তাৰে সকলোকে অংশ ল'বলৈ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমে আহ্বান জনাইছে। এটা বিজ্ঞপ্তিযোগে প্ৰকাশ কৰা হৈছে যে, ৰাজ্যৰ সকলো স্বাস্থ্য কেন্দ্ৰতে মেলেৰিয়া ৰোগৰ পৰীক্ষা আৰু চিকিৎসা বিনামূলীয়াকৈ উপলব্ধ তথা যিকোনো সহায়তাৰ বাবে আশাকৰ্মী বা এ এন এমৰ সৈতে যোগাযোগ কৰিব পৰা যাব। জনসাধাৰণক স্বাস্থ্য সম্পৰ্কীয় যিকোনো তথ্যৰ বাবে ১০৪ আৰু এম্বুলেন্স সেৱাৰ বাবে ১০৮ নম্বৰত যোগাযোগ কৰিবলৈকেও বিজ্ঞপ্তিটোত আহ্বান জনোৱা হৈছে। লগতে তীব্ৰ ঠাণ্ডা তথা অতিমাত্ৰা জ্বৰ, ওকালি অহা আৰু বমি হোৱা, মূৰৰ বিষ, অত্যাধিক ঘাম ওলোৱা আদি লক্ষণে দেখা দিলে ততাতয়াকৈ কাষৰীয়আ স্বাস্থ্যকেন্দ্ৰত যোগাযোগ কৰিবলৈও ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমে আহ্বান জনাইছে।

0000000

নতুন ভোটাৰসকলক ভোটদানৰ বাবে আকৰ্ষিত কৰিবলৈ দক্ষিণ শালমাৰা-মানকাচৰ জিলা প্ৰশাসনৰ উদ্যোগত হাটশিঙিমাৰী মহাবিদ্যালয় খেলপথাৰত এখন প্ৰীতি ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাকে ধৰি কেইবাগৰাকীও প্ৰশাসনিক আৰু ক্ৰীড়া বিষয়াৰ উপস্থিতিত আয়োজিত প্ৰতিযোগিতাখনত নতুন ভোটাৰৰ দুটা ফুটবল দলে অংশগ্ৰহণ কৰে। অহা ৭ মে'ত অনুষ্ঠিত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া নতুন ভোটাৰসকলক নিজ নিজ ভোটগ্ৰহণ

কেন্দ্রসমূহত উপস্থিত হৈ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে সকলোলৈ আহ্বান জনায়। উল্লেখযোগ্য যে, বাংলাদেশ সীমান্তৱৰ্তী জিলাখনৰ স্পৰ্শকাতৰ আৰু অতি স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত কটকটীয়া নিৰাপত্তাৰ মাজেৰে ভোটগ্ৰহণ অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। পূৰ্বৰ নিৰ্বাচনসমূহত ৯০ শতাংশতকৈও অধিক ভোটদান হোৱা জিলাখনত এইবাৰৰ লোকসভা নিৰ্বাচনত ভোটদানৰ হাৰ অধিক হ'ব বুলি জিলা প্ৰশাসনে আশা প্ৰকাশ কৰিছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে ২৭ এপ্ৰিল অৰ্থাৎ পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত লোকসভা নিৰ্বাচন সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। ত্ৰিদীপ লহকৰ আৰু গুণজিৎ ভট্টাচাৰ্যই অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন ৰোমাঞ্চকৰ খেলত দেলহি কেপিটেলছে গুজৰাট টাইটানছক ৪ ৰানত পৰাস্ত কৰে। খেলখনত দেলহি কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অধিনায়ক ঋষভ পণ্টৰ অপৰাজিত ৮৮ আৰু অক্ষৰ পেটেলৰ ৬৬ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অ'ভাৰত ৪টা উইকেট হেৰুৱাই ২২৪ ৰান কৰে। প্ৰত্যুত্তৰত গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অ'ভাৰত ৮ উইকেটৰ বিনিময়ত ২২০ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাটৰ হৈ ছাই সুদৰ্শনে ২৯টা বলত ৬৫ ৰান কৰে আৰু ডেভিদ মিলাৰে ২৩ টা বলত ৫৫ ৰানৰ বৰঙণি আগবঢ়ায়। দিল্লীৰ ৰছিক ছলমানে ৩টা উইকেট লাভ কৰে।

০০০০০০

NEWSPAPER REVIEW /RNU(25-04-24) MORN.

কাইলৈ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন । অসমত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ধৰ্মীয় সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা ল'ব পাৰে। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে-**হঠাৎ মিঞা ভোট বিচাৰি উদ্বাউল বিজেপি** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আনহাতে, এই বাতৰিক **দৈনিক অসম** কাকতে দ্বিতীয় পৰ্যায়ত নিৰ্ণায়ক হ'ব ধৰ্মীয় সংখ্যালঘু ভোটাৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

চৰকাৰী চাকৰি পাব কৰ্মসংস্থাপন নথকা পৰিয়ালে। ৫০ হাজাৰ চাকৰিৰ নিযুক্তিৰ ক্ষেত্ৰত সাক্ষাৎকাৰৰ সময়ত অতিৰিক্তভাৱে ১০ নম্বৰ দিয়া হ'ব। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনা কমলপুৰ সমষ্টিৰ দ-গাঁৱত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত  এই ঘোষণা মুখ্যমন্ত্ৰীৰ এই বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমত এইবাৰ মানুহে আশা নকৰা অভূতপূৰ্ব ফলাফল হ'ব। সংখ্যালঘু-সংখ্যাগুৰু সকলো এইবাৰ মোদীৰ লগত আছে। দ্বিতীয় পৰ্যায়তো ৫ খন আসনতেই আমি জয়ী হ'ম। তামিলনাডু, কেৰালাত এইবাৰ বিজেপিৰ সপক্ষে বলিছে নিৰ্বাচনী বতাহ। দ্বিতীয় পৰ্যায়ৰ  নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অন্তিম দিনটোত নগাঁও আৰু দৰং-ওদালগুৰিত ৫ খন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত

এই মন্তব্য মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ। এই বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰীৰ নেতৃত্বতে অসমৰ গাৱেঁ-ভূঞে উন্নয়ন সম্ভৱ হৈছে মৰিগাঁও আৰু জাগীৰোড বিধানসবা সমষ্টিৰ চাৰি ঠাইত নিৰ্বাচনী প্ৰচাৰ চলাই এই মন্তব্য মন্ত্ৰী পীযুষ হাজৰিকাৰ-এই বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ডিব্ৰুগড় জে'লৰ পৰা নিৰ্বাচন খেলিব খালীস্তানী অমৃত পালেএই বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

যেন তললৈ নামি আহিছে সূৰ্য্য, ঠায়ে ঠায়ে পাৰাস্তম্ভ উঠিল ৪২ ডিগ্ৰীলৈ। প্ৰথম পৰ্যায়ৰ ভোটদানৰ হাৰ নিম্নমুখী হোৱাৰ অন্যতম কাৰণ অসহনীয় গৰম এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

Fee Waiver For BPL Students in Governments Schools, Students from class 6 to 12 get benefiet-এই বাতৰিক **দ্যা চেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

Centre unwear of any move to shift Chakma Hajong refugees এই বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে-নিৰ্দেশ নমনা দুই এ চি এছ বিষয়াক নিলম্বন, অচিন কীটৰ আতংকই হঠাৎ ছানি ধৰিছে তেজপুৰ, নগাঁৱৰ ৰাজপথত বিশাল সমদলেৰে কংগ্ৰেছৰ শক্তি প্ৰদৰ্শন, মে'ৰ প্ৰথম সপ্তাহত ঘোষণা হ'ব উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাৰ ফলাফল আদি ।

এয়াই আছিল গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।০০০০০

০০০০০০০

**সমাপ্ত**